জীৱনশৈলী

৯ নৱেম্বৰৰ ৰাশিফল: সিংহ, কন্যা, তুলা আৰু বৃশ্চিকৰ ভাগ্যত কি আছে?

সোমবাৰৰ ৰাশিফলত সিংহ, কন্যা, তুলা আৰু বৃশ্চিক ৰাশিৰ জাতক-জাতিকাসকলৰ কর্মজীৱন, স্বাস্থ্য, আর্থিক আৰু পাৰিবাৰিক দিশৰ সম্ভাৱনাৰ আভাস।

প্ৰকাশ: ৯ নৱেম্বৰ ২০২৬, আবেলি ৪:০৪



(Social media)

গুৱাহাটী, ৯ নৱেম্বৰ: সোমবাৰ, ৯ নৱেম্বৰৰ ৰাশিফল অনুসৰি সিংহ ৰাশিৰ জাতক-জাতিকাসকলৰ দিনটো শুভ হোৱাৰ সম্ভাৱনা আছে। পৰিয়ালৰ জ্যেষ্ঠ সদস্যসকলৰ পৰা অনুপ্ৰেৰণা লাভ কৰাৰ লগতে যিকোনো কামত সফলতা লাভ কৰিব পাৰে। স্বাস্থ্যৰ অৱস্থাও পূৰ্বতকৈ উন্নত হ’ব পাৰে।

ব্যৱসায় সম্প্ৰসাৰণৰ ক্ষেত্ৰত কোনো আত্মীয়ৰ পৰা পৰামর্শ লাভ কৰিব পাৰে সিংহ ৰাশিৰ লোকসকলে। সামাজিক সন্মান আৰু প্ৰতিপত্তি বৃদ্ধি পাব পাৰে। সন্তানৰ পঢ়া-শুনাৰ প্ৰয়োজনীয় সামগ্ৰী ক্ৰয়ৰ বাবেও ধন খৰচ

হ’ব পাৰে। গাড়ী চলোৱাৰ সময়ত বিশেষ সাৱধানতা অৱলম্বন কৰা উচিত।

কন্যা ৰাশিৰ জাতক-জাতিকাসকলৰ বাবে দিনটো মিশ্রিত হোৱাৰ সম্ভাৱনা আছে। কর্মজীৱন আৰু পাৰিবাৰিক দায়িত্বৰ মাজত ভাৰসাম্য বজাই ৰাখিবলৈ চেষ্টা কৰিব লাগিব। কোনো কাম সম্পূর্ণ কৰাৰ বাবে নতুন পদ্ধতিৰ কথাও চিন্তা কৰিব পাৰে। ব্যৱসায় সম্প্রসাৰণত সফলতা লাভৰ লগতে আর্থিক অৱস্থা শক্তিশালী হৈ থকাৰ সম্ভাৱনা আছে।

কন্যা ৰাশিৰ শিক্ষার্থীসকলে পিতৃ-মাতৃৰ সহায়-সহযোগিতাৰে পঢ়া-শুনাত মনোনিৱেশ কৰিব পাৰিব। জীৱনসংগীৰ পৰাও সম্পূর্ণ সহযোগিতা লাভ কৰাৰ সম্ভাৱনা আছে।

তুলা ৰাশিৰ জাতক-জাতিকাসকলৰ বাবে দিনটো অনুকূল হোৱাৰ সম্ভাৱনা আছে। বহুদিন ধৰি স্থগিত হৈ থকা ব্যৱসায়িক কাম-কাজ পুনৰ আৰম্ভ হ’ব পাৰে। কর্মৰত লোকসকলে নির্ধাৰিত সময়ৰ ভিতৰত নিজৰ কাম সম্পূর্ণ কৰিবলৈ চেষ্টা কৰিব লাগিব, অন্যথা ঊর্ধ্বতন বিষয়াৰ অসন্তুষ্টিৰ সন্মুখীন হ’ব পাৰে।

তুলা ৰাশিৰ লোকসকলে জীৱনসংগীৰ সৈতে দীঘলীয়া ভ্রমণৰ পৰিকল্পনা কৰিব পাৰে। পাৰিবাৰিক সমস্যা সমাধানত নিজৰ বুদ্ধি আৰু প্রভাৱ ব্যৱহাৰ কৰিব পাৰিলেও স্বাস্থ্যৰ প্রতি বিশেষ মনোযোগ দিয়াৰ প্রয়োজন।

বৃশ্চিক ৰাশিৰ জাতক-জাতিকাসকলৰ বাবে দিনটো ভাল হোৱাৰ সম্ভাৱনা আছে। অযথা চিন্তা-ভাৱনাৰ পৰা আঁতৰি অৱসৰ সময় কোনো মন্দিৰ বা ধর্মীয় স্থানত কটাব পাৰে। ভ্রমণৰ সম্ভাৱনাও আছে আৰু সেই ভ্রমণ আনন্দদায়ক হ’ব পাৰে।

বৃশ্চিক ৰাশিৰ লোকসকলে নিজৰ শক্তি আৰু দুর্বলতাসমূহৰ বিষয়ে চিন্তা-চর্চা কৰাৰ সুযোগ পাব পাৰে। পুৰণি বন্ধুৰ সৈতে সময় কটোৱাৰ সুযোগ আহিব পাৰে, যিয়ে অতীতৰ বহু স্মৃতি মনত পেলাই দিব।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/1513/november-9-horoscope-leo-virgo-libra-scorpio